অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020
কৰ্ম মোৰ সংস্কৃতি
☏: 0361-2557921 (Principal)
0361-2654229 (Office)
e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ :
*Ref :* AJB/NSD/24/20

তাৰিখ :
*Date* : 28/02/2020

## National Science Day observed at Assam Jatiya Bidyalay, Noonmati

**Guwahati, 28 February, 2020 :** Assam Jatiya Bidyalay, Noonmati today observed National Science Day with a day-long programme at its school campus to commemorate the discovery of the Raman effect by the Nobel Laureate C V Raman. A state level science exhibition along with a competition was held among the students from class VIII to class X on scientific experiment, science model and project. The same competition was also held among the students of class V to class VII of the school to promote scientific temperament among the students. Along with the students of the school total 150 students of 53 groups belonging to 26 schools from different parts of the state took part in the competition. Dr. Kandarpa Phukan, an Associate Professor dept of Chemistry, Handique Girls College, Dr. Samik Benerjee, an Associate professor dept of Physics, B. Borooah College, Bidyut Kumar Das dept of Zoology, Associate professor Nalbari College were present as the judges in the competition. The chief guest of the programme, Dr. Debendra Chandra Baruah, Professor, Dept. of Energy , Tezpur University delivered a speech on the importance of the occasion and advised the students to gather knowledge on the new technologies like genetics, 3-D printing, robotics etc after inaugurating the annual science magazine of the school ‘Prabhat’. He expressed his concern at the alarming misuse if mobile phone among the students and urged them not to fall prey to any such kind of distractions. He appealed to the students to enhance their scienctific zeal and contribute to the field of science through observation and innovation. On this auspicious moment of the day presence of Mr. Tanmoy Sarma an ex-student of Assam Jatiya Bidyalay and a research scholar of the dept of Sociology of Yale University, United States of America, inspired the students. At the end of the progamme the result of the competition was announced and the prizes were distributed. In the state level competition on scientific experiment from class VIII to X, Manash D. Choudhury, Kriti Kamal Dev Sarma, Soheil Choudhury of Noonmati Public School begged the first prize, Uddipan Goswami and Manab A. Roy of Maharshi Bidya Mandir, Silpukhuri begged the 2nd prize. Anjali Sahu, Masrang and Kalpajyoti Konwar of Sankardev Jatiya Bidyalay begged the third prize. In the science model competition the first prize was won by Anchit Sarma, Mrinmoy Nath and Kunal Bhattacharya of Assam Jatiya BIdyalay, the 2nd prize was won by Bhargab Das, Sidhartha Bharadwaj and George Jigyash Bordoloi and the third prize was won by Debanga Deka, Anirudha Deka and Bedenta Bikram Bora of Jatiya Bidyalay Axom. In the science project competition Abhinab Dube and Bhargab Das of Maharshi Bidya Mandir, Silpukhuri begged the first prize, Bhargab Jyoti Bora Jatiya Bidyalay Saraibahi begged the second prize, Rituraj Neog, Seuj Dipta Kakoti and Ankur Pawan Baruah of Ambikagiri Ray Choudhury Jatiya Bidyalay begged the third prize . The whole programme was anchored by Juthika Patowary, former Principal of the school, Mr. Jayanta Deka, a senior teacher of the dept of English and Mr. Dipak Koch, a teacher of the Assamese dept . The convenor of the National Science Day programme was Kalyani Patgiri, a teacher from the dept of Science. The programme came to an end with the offering of vote of thanks by Pankaj Dutta, Head of the Science Dept of the School.

Ghanashyam Medhi

(Ghanashyam Medhi)
Principal
Assam Jatiya Bidyalay
Noonmati, Guwahati

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

কৰ্ম মোৰ সংস্কৃতি

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☎: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


**প্ৰসংগ** : অজাবি/বিদি/২৪/২০
*Ref :*

**তাৰিখ** : ২৮/০২/২০২০
*Date :*

**অসম জাতীয় বিদ্যালয়ত 'ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস' উদ্‌যাপন**

**গুৱাহাটী, ২৮ ফেব্ৰুৱাৰী, ২০২০ :** 'বিজ্ঞান জগতত মহিলা'ক মূল বিষয়বস্তু হিচাপে লৈ ২০২০ চনত উদ্‌যাপন কৰিবলৈ লোৱা ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস আজি গুৱাহাটীৰ নুনমাটিস্থ অসম জাতীয় বিদ্যালয়তো দিনজোৰা কাৰ্য্যসূচীৰে অনুষ্ঠিত হয়। আজিৰ এই দিৱসত মুখ্য অতিথি হিচাপে উপস্থিত থাকে তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° দেৱেন্দ্ৰ চন্দ্ৰ বৰুৱা। তেখেতে শিক্ষাৰ্থীসকলক উদ্দেশ্যি দিয়া ভাষণ প্ৰসংগত কয় যে "বিজ্ঞান হ'ল পুংখানুপুংখভাৱে অনুসন্ধান কৰিব পৰা গুণ। আমি আত্মকেন্দ্ৰিক নহৈ এই পৃথিৱীখনৰ প্ৰতিটো বস্তুৰ লগত সংলগ্ন হৈ চৌপাশৰ পৰিৱেশৰ প্ৰতি সংবেদনশীল হ'ব লাগিব, তেতিয়াহে সমাজখন সুন্দৰ হ'ব। কণ কণ শিক্ষাৰ্থীসকল হ'ল ভৱিষ্যত পৃথিৱীখনৰ সম্পদ। সকলোৰে সময়ৰ মূল্য বুজি নিজ নিজ কৰ্তব্য পালন কৰিব লাগে। সময়ক গুৰুত্ব দিয়া মানে বৈজ্ঞানিক মানসিকতাৰ পৰিচয় দিয়া।" ইয়াৰ পিছতেই অধ্যাপক বৰুৱাই বিজ্ঞান দিৱস উপলক্ষে প্ৰকাশিত হৈ অহা বাৰ্ষিক আলোচনী 'প্ৰভাত' উন্মোচন কৰে। আজিৰ এই দিৱস উপলক্ষে বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত বিজ্ঞান বিষয়ক প্ৰতিযোগিতা অনুষ্ঠিত হয়। অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত বিজ্ঞান পৰীক্ষা, বিজ্ঞান প্ৰকল্প আৰু বিজ্ঞান আৰ্হি বিষয়ক ৰাজ্যিক ভিত্তিত প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই বিদ্যালয়ৰ শিক্ষাৰ্থীৰ লগতে অসমৰ মুঠ ২৬খন বিদ্যালয়ৰ ৫৩টা দলৰ ১৫০ গৰাকী শিক্ষাৰ্থীয়ে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। উক্ত প্ৰতিযোগিতাৰ বিচাৰক হিচাপে আমন্ত্ৰণ কৰি অনা হয় গুৱাহাটীৰ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° কন্দৰ্প ফুকন, বি. বৰুৱা মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° সমীক বেনাৰ্জী আৰু নলবাৰী মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক বিদ্যুৎ কুমাৰ দাসক। দিৱসৰ অন্তত প্ৰতিযোগিতাৰ ফলাফল ঘোষণা আৰু পুৰস্কাৰ বিতৰণো কৰা হয়। ৰাজ্যিক ভিত্তিত অনুষ্ঠিত বিজ্ঞান পৰীক্ষা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে নুনমাটি পাব্লিক স্কুলৰ মানস ডি. চৌধুৰী, কৃতি কমল দেৱ শৰ্মা আৰু চহেইল চৌধুৰীয়ে, দ্বিতীয় পুৰস্কাৰ লাভ কৰে মহৰ্ষি বিদ্যা মন্দিৰ, শিলপুখুৰীৰ উদ্দীপন গোস্বামী আৰু মানৱ এ. ৰয়ে, তৃতীয় পুৰস্কাৰ লাভ কৰে শংকৰদেৱ জাতীয় বিদ্যালয়ৰ অঞ্জলী চাহু, মুষ্কান মছৰং আৰু কল্পজ্যোতি কোঁৱৰে। বিজ্ঞান আৰ্হি প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে অসম জাতীয় বিদ্যালয়ৰ অন্‌চিত শৰ্মা, মৃন্ময় নাথ আৰু কুনাল ভট্টাচাৰ্য্যই, দ্বিতীয় পুৰস্কাৰ লাভ কৰে অসম জাতীয় বিদ্যালয়ৰ ভাৰ্গৱ দাস, সিদ্ধাৰ্থ ভৰদ্বাজ আৰু জৰ্জ জিজ্ঞাস বৰদলৈয়ে আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে জাতীয় বিদ্যালয় অসমৰ দেৱাংগ ডেকা, অনিৰুদ্ধ ডেকা আৰু বেদান্ত বিক্ৰম বৰাই। বিজ্ঞান প্ৰকল্প প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে মহৰ্ষি বিদ্যা মন্দিৰ, শিলপুখুৰীৰ অভিনৱ দুবে আৰু ভাৰ্গৱ দাসে, দ্বিতীয় পুৰস্কাৰ লাভ কৰে জাতীয় বিদ্যালয়, চৰাইবাহীৰ ভাৰ্গৱজ্যোতি বৰাই আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে অম্বিকাগিৰী ৰায়চৌধুৰী জাতীয় বিদ্যালয়ৰ ঋতুৰাজ নেওগ, সেউজদীপ্ত কাকতি আৰু অংকুৰ পৱন বৰুৱাই। আজিৰ দিৱসৰ প্ৰাক্‌ক্ষণত এই বিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী তথা বৰ্তমান আমেৰিকা যুক্তৰাষ্ট্ৰৰ য়েল ইউনিভাৰ্চিটিৰ সমাজতত্ব বিষয়ৰ গৱেষক ছাত্ৰ তন্ময় শৰ্মাৰ উপস্থিতিয়ে শিক্ষাৰ্থীসকলক উৎসাহিত কৰে। বিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ ঘনশ্যাম মেধি, ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকা, শৈক্ষিক বিষয়া নৰেন্দ্ৰ মোহন গোস্বামী, পৰিচালনা সমিতিৰ সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰী, পৰিচালনা সমিতিৰ সচিব ড° নাৰায়ণ শৰ্মাৰ দিহা-পৰামৰ্শ আৰু শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীসকলৰ সহায়-সহযোগিতাই দিৱসটি সাফল্যমণ্ডিত কৰে। পুৰস্কাৰ বিতৰণ অনুষ্ঠানত শিক্ষাৰ্থীসকলক উদ্দেশ্যি অধ্যক্ষ ঘনশ্যাম মেধিয়ে এক সাৰুৱা ভাষণ আগবঢ়ায়। অনুষ্ঠানৰ শেষত বিজ্ঞান বিভাগৰ মুৰব্বী পংকজ দত্তই শলাগৰ শৰাই আগবঢ়াই দিৱসটিৰ সামৰণি মাৰে। এই বৰ্ষৰ বিজ্ঞান দিৱসৰ আহ্বায়কৰ দায়িত্বত থাকে গণিত বিভাগৰ শিক্ষয়িত্ৰী কল্যাণী পাটগিৰি। এই সমগ্ৰ কাৰ্যসূচীৰ আঁত ধৰে শিক্ষয়িত্ৰী যুথিকা পাটোৱাৰী, শিক্ষক জয়ন্ত ডেকা আৰু দীপক কোচে।

(ঘনশ্যাম মেধি)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০